**Sample Paper**
**Subject: Assamese**
**Code: 014**
**Class: X**

**SET 1**

**Time allowed: 3 hours** **Maximum Marks: 80**

Section A: Reading (Comprehension) 15 Marks
B: Writing 25 Makrs
C: Grammar 20 Marks
D: Literature /Tex Books 20 Marks

## Section A

১। তলত দিয়া অনুচ্ছেদটো পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা—

ভাৰতবৰ্ষ এখন অতি প্ৰাচীন দেশ। প্ৰাচীন ভাৰতত ৰাজতন্ত্ৰ শাসন চলিছিল। তেতিয়া ৰজাই সৰ্বেসৰ্বা আছিল। প্ৰাচীন ভাৰতৰ ৰাজ শাসনৰ সময়তো সামৰিক শিক্ষাৰ ব্যৱস্থা আছিল। তেতিয়া ৰাজপুত্ৰসকলে আৰু আনকি ৰাজকন্যা কিছুমানেও সামৰিক শিক্ষা গ্ৰহণ কৰিছিল। তেতিয়া সামৰিক শিক্ষাৰ কেন্দ্ৰবোৰ আছিল ঋষি-মুনিসকলৰ আশ্ৰমবোৰ। কিন্তু ভাৰতৰ সেই সামৰিক শিক্ষা ব্যৱস্থা ইংৰাজৰ শাসন কালত বিনষ্ট হ'ল।

ইংৰাজসকলে আমাৰ দেশ প্ৰায় দুশ বছৰ শাসন কৰি ভাৰতীয়সকলক নিশকতীয়া কৰিছিল। ভাৰতবাসীক তেওঁলোকে নিৰস্ত্ৰ কৰি সামৰিক শিক্ষাত অপৈণত বুলি শক্তিহীন কৰি ৰখাটো তেওঁলোকৰ স্বাৰ্থ আছিল। আমাৰ দুৰ্বলতাৰ সুযোগ লৈ তেওঁলোকে আমাৰ দেশ শাসন কৰিছিল। কিন্তু ইংৰাজৰ শাসনত অতিষ্ঠ হৈ ভাৰতৰ জনসাধাৰণৰ মনত আত্মসচেতনতা ভাবৰ উদগীৰণ হৈছিল। এনে এটা পৰিস্থিতিৰ সুযোগ লৈ ভাৰত-মাতৃৰ সুসন্তান সুভাষ বসুৱে তেওঁৰ অসাধাৰণ ৰণকৌশল আৰু নেতৃত্বৰে ‘আজাদ হিন্দ ফৌজ’ গঠন কৰি অসীম সাহস আৰু বীৰত্বৰে দুৰ্দান্ত বৃটিছসকলক ভাৰত মাতৃৰ বুকুৰ পৰা বিতাৰণ কৰিবলৈ অগ্ৰসৰ হৈছিল। তৰুণ শক্তিয়ে দেশৰ শক্তি। যি দেশত তৰুণসকলে পৰাক্ৰমী, সাহসী, বুধিয়ক আৰু স্বদেশপ্ৰেমী, তেওঁলোক দেশৰ সম্পদ, দেশৰ ভৱিষৎ। তেওঁলোকৰ ওপৰতে সুৰক্ষা নিৰ্ভৰ কৰে। ভাৰতবৰ্ষৰ ঐতিহ্য গৌৰৱ আৰু ইয়াৰ আত্মশক্তিত আস্থা ৰাখি দেশৰ প্ৰগতি কৰিবলৈ হ'লে, দেশৰ তৰুণ সমাজৰ বাবে সামৰিক শিক্ষাৰ ব্যৱস্থা কৰাটো ৰাষ্ট্ৰনেতাসকলৰ কৰ্তব্য। জ্ঞান-বিজ্ঞান, বিদ্যা-বুদ্ধিত আমাৰ তৰুণ সমাজ আন জাতিৰ তুলনাত কোনোপধ্যে পিছপৰা নহয়। শক্তিৰ ক্ষেত্ৰতো ভাৰতবাসী হীন নহয়। সামৰিক ক্ষেত্ৰত আমাৰ সৈন্যসকলৰ খ্যাতি সুদূৰপ্ৰসাৰী। যোৱা দুটি মহাযুদ্ধতেই ইয়াৰ প্ৰমাণ পোৱা গৈছে।

বৰ্তমান বিশ্বত যুদ্ধৰীতিৰ বৈপ্লৱিক পৰিৱৰ্তন ঘটিচে। আজিৰ যুদ্ধ, যান্ত্ৰিক তথা বৈজ্ঞানিক শক্তিৰ সংহাৰকাৰী যুদ্ধ। সেইবাবে দেশবাসীক বৰ্তমান যুগৰ যুদ্ধৰ কৌশল আৰু ৰীতি-নীতি সম্বন্ধে সচেতন কৰি তোলা চৰকাৰৰ এটা প্ৰধান কৰ্তব্য। দেশৰ ছাত্ৰ-ছাত্ৰী তৰুণ সমাজৰ মাজত সামৰিক শিক্ষাৰ ব্যৱস্থা কৰাটোও বৰ্তমান চৰকাৰৰ এটা অন্যতম প্ৰধান দায়িত্ব কাৰণ আমাৰ দেশৰ অৰ্থনীতি এতিয়াও টনকিয়াল হৈ উঠা নাই। এনেকুৱা এখন দেশৰ বাবে বিশাল সৈন্যবাহিনীক লালন-পালন কৰাটো কম ব্যয়বহুল কথা নহয়। গতিকে লগে লগে দেশৰ তৰুণ সমাজক সামৰিক শিক্ষাৰে শিক্ষিত কৰিব পাৰিলে দেশৰ অৰ্থও হানি নহয় আৰু মুহূৰ্তৰ আহ্বানতে বিৰাট এটা সৈন্য বাহিনী যুদ্ধৰ সময়ত প্ৰস্তুত হৈ উঠিব পাৰে। স্কুল-কলেজৰ সাধাৰণ শিক্ষাৰ লগতে সামৰিক শিক্ষাৰো ব্যৱস্থা থাকিলে, দেশৰ দুৰ্যোগৰ

Scanned by CamScanner

বিপদকালীন অৱস্থাত ছাত্ৰ-ছাত্ৰীসকল দেশৰ প্ৰতিৰক্ষাৰ কামত সহায়ক হ'ব পাৰে।

দেশৰ স্বাধীনতাৰ পাছত ভাৰত চৰকাৰে সামৰিক শিক্ষাৰ ব্যৱস্থা কৰিছে। দিল্লীত জাতীয় প্ৰতিৰক্ষা কলেজ, পুণাৰ ওচৰৰ খৰক ভাছলা নামৰ ঠাইত জাতীয় প্ৰতিৰক্ষা একাডেমী, ডেৰাডুনত সামৰিক কলেজত সামৰিক শিক্ষাৰ সুব্যৱস্থা কৰা হৈছে। বিমান বাহিনীৰ বাবে যোধপুৰ আৰু হায়দৰাবাদত শিক্ষা কেন্দ্ৰ স্থাপিত হৈছে। তদুপৰি নৌ বাহিনী শিক্ষা কেন্দ্ৰ প্ৰতিষ্ঠিত হৈছে মুম্বাই কোচিন আৰু বিশাখা পট্টনমত আৰু যান্ত্ৰিক যুদ্ধবিদ্যা শিক্ষাৰ কেন্দ্ৰ আছে আহমদ নগৰত। ইয়াৰ উপৰিও প্ৰত্যেক ৰাজ্যতে ৰাষ্ট্ৰীয় সৈনিক বিদ্যালয় আছে। স্কুল-কলেজবিলাকত নেচনেল কেডেট-কোৰৰ (N.C.C.) শিক্ষাও দিয়া হয়। এন.চি.চি.ৰ শিক্ষাৰ্থীসকলে সামৰিক শিক্ষা লাভ কৰাৰো সুযোগ পায়।

সামৰিক শিক্ষাই শিক্ষাৰ্থীৰ দেহ-মনৰ অসাধাৰণ বিকাশ ঘটায়। এই শিক্ষাৰ ফলত শৃঙ্খলা আৰু নিয়মানুৱৰ্তিতা শিকাৰ লগে লগে শিক্ষাৰ্থীৰ মনত দায়িত্ববোধ, কৰ্তব্যবোধ, স্বাৰ্থত্যাগ আৰু দুৰ্গতজনৰ প্ৰতি সেৱা প্ৰভৃতি মহৎ গুণৰাশিৰ বিকাশ ঘটে। দেশত বলিষ্ঠ আৰু কৰ্মঠ মানুহ তৈয়াৰ কৰাৰ বাবে একমাত্ৰ শিক্ষা ব্যৱস্থা হৈছে— সামৰিক শিক্ষা। গোটেই দেশতে বাধ্যতামূলক সামৰিক শিক্ষা প্ৰৱৰ্তন কৰিলে, গোটেই জাতিটোৱে মুহূৰ্তৰ ভিতৰতে সকলো এলাহ দুৰ্বলতা ত্যাগ কৰি জাতি বা দেশৰ সুৰক্ষাত থিয় হ'ব পাৰিব। আমাৰ দেশৰ ছাত্ৰ-ছাত্ৰীসকলে নিষ্ঠাৰে সৈতে সামৰিক শিক্ষা গ্ৰহণ কৰি দেশ সেৱাৰ কামত ব্ৰতী হ'লে দেশৰ কল্যাণ হ'ব।

<u>প্ৰশ্নাৱলী ঃ</u>

ক) প্ৰাচীন ভাৰতত ৰাজশাসনৰ সময়ত সামৰিক শিক্ষাৰ কেন্দ্ৰবোৰ ক'ত আছিল? কাৰ শাসনত সেই শিক্ষা ব্যৱস্থা বিনষ্ট হয়? ২

খ) ৰাজতন্ত্ৰত ৰজাৰ ভূমিকা কি? ৰাজতন্ত্ৰত ৰাজকন্যাসকলক সামৰিক শিক্ষাৰ পৰা বঞ্চিত কৰা হৈছিল নেকি? ২

গ) কি পৰিস্থিতিত সুভাষ বসুৱে 'আজাদ হিন্দ ফৌজ' গঠন কৰিছিল? ২

ঘ) তৰুণসকলক কেতিয়া এখন দেশৰ সম্পদ বা দেশৰ ভৱিষ্যৎ বুলি ক'ব পৰা যায়? ২

ঙ) ইংৰাজসকলে আমাৰ দেশত কিমান বছৰ ধৰি শাসন কৰিছিল? সেই শাসন কালত তেওঁলোকে ভাৰতীয় সকলক শক্তিশালী কৰি তুলিছিল নে? ২

চ) সামৰিক শিক্ষাৰে শিক্ষিত শিক্ষাৰ্থী এজনৰ কি কি মহৎ গুণৰাশিৰ বিকাশ ঘটে? ২

ছ) দফাটিৰ পৰা এটা উপসৰ্গযুক্ত শব্দ বাচি উলিয়াই লিখা। ১

জ) বিপৰীত লিংগ লিখা 'ৰাজপুত্ৰ'। ১

ঝ) সন্ধি ভাঙা- 'তদুপৰি'। ১

## <u>Section B</u>

২. ক) তলত দিয়া সংকেত বাক্যবোৰৰ আলমত গল্প লিখি তাৰ শিৰোনামা দিয়াৰ লগতে গল্পটোৰ পৰা কি নীতিশিক্ষা পালা লিখা- ১+৩+১=৫

মুখত মঙহ লৈ কাউৰী গছৰ ডালত— তলত শিয়াল— মাংস টুকুৰাৰ লোভ— কাউৰীৰ প্ৰশংসা— সুন্দৰ গীত গায় — কাউৰীয়ে প্ৰশংসা ভাল পালে— গীত গাবলৈ মুখ মেলিলে — 'কা' কৰোতে মঙহ মাটিত পৰিল মঙহ লৈ শিয়াল পলাল।

নাইবা

খ) তলত দিয়া যিকোনো এটা বিষয় লৈ এখন ৰচনা লিখা— ৫×১=৫

i) ভোগালী বা মাঘ বিহু

ii) নিয়মানুৱৰ্তিতা

Scanned by CamScanner

৩। তোমাৰ বিদ্যালয়ত পালন কৰা "শিশুদিৱস"ৰ দিনটোৰ বিষয়ে জনাই বাতৰি কাকতত প্ৰকাশৰ বাবে এখন প্ৰতিবেদন যুগুত কৰা। (বিদ্যালয়ৰ নাম সাংকেতিক আখৰত লিখিবা) ৫×১=৫

৪। তলত দিয়া যিকোনো এটা ফকৰা-যোজনাৰ ভাবাৰ্থ বুজাই লিখা— ৫×১=৫

ক) আপদৰ মাত আকালৰ ভাত।

খ) যি মূলা বাঢ়ে দুপাততে চিন।

৫। আজৰি সময়ত তুমি কেনেদৰে কটোৱা সেইবিষয়ে জনাই তোমাৰ বন্ধুলৈ এখন চিঠি লিখা। (চিঠিত তোমাৰ নাম আৰু ঠিকনা সাংকেতিক আখৰত লিখিবা)। ৫×১=৫

৬। তলত দিয়া বিশেষ অৰ্থত ব্যৱহাৰ হোৱা শব্দবোৰেৰে বাক্য ৰচনা কৰা। ১×৫=৫

ডলাৰ বগৰী, থৰক্-বৰক্, ধোদৰ পচলা, বিনা মেঘে বজ্ৰপাত, যাউতিযুগীয়া।

## Section-C

৭। ক) উপসৰ্গ কি? ১

খ) "অভিজ্ঞান" শব্দটোত থকা উপসৰ্গ বাচি লিখা। ১

গ) সি গ'ল দেখোন— বাক্যটিত কি অনুসৰ্গ ব্যৱহাৰ হৈছে? ১

ঘ) "ই" অনুসৰ্গ ব্যৱহাৰ কৰি এটা বাক্য সাজা ১

ঙ) সন্ধি যোৰা লগোৱা (যিকোনো দুটা) ১×২=২

i) কিম্ + তু

ii) দুঃ + গম

iii) দিক্ + অন্ত

চ) সমাৰ্থক শব্দ লিখা (এটাকৈ) ১×২=২

চন্দ্ৰ, নদী

ছ) লিংগ পৰিৱৰ্তন কৰা (যিকোনো দুটাৰ) ১×২=২

বন্দী, নবাব, শিপিনী

জ) বাক্য পৰিবৰ্তন কৰা ঃ ১×২=২

i) মই পঢ়িবৰ সময়ত সি খেলে। (মিশ্ৰ বাকলৈ)

ii) লাচিতে মোগলক জয় কৰি গুৱাহাটীৰ পৰা খেদি দিলে। (যৌগিক বাক্যলৈ)

ঝ) এটা শব্দত প্ৰকাশ কৰা ঃ ১×২=২

ii) লোকক দেখি পাছত যি কৰা যায়

ii) সোণৰ দৰে বৰণ যাৰ

ঞ) বিপৰীতাৰ্থক শব্দ লিখা— ১×২=২

উভৈনদী, অনুকূল

ট) বাক্য শুদ্ধ কৰা— ১×২=২

i) মই, তেওঁ আৰু তুমি গৈছিলো।

ii) সি মোক গালি দিছে।

ঠ) শুদ্ধ উত্তৰটো লিখা— ১×১=১

নামতী— নাম+তী , নাম+অতি, নাম+অতী

ড) প্ৰত্যয় ভাঙা— নাৱৰীয়া ১×১=১

Scanned by CamScanner

## Section D

৮। তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা- ৪×১= ৪

ক) ‘এই কলি সময়ত বিকশিত হৈ ফুল আৰু তাৰ পাছত ফল হৈ মাতৃপূজাত লাগে। কাঁইট কলিতে এইসকলক পূজাৰ উপাচাৰ স্বৰূপে মাতৃয়ে গ্ৰহণ নকৰে।’ ব্যাখ্যা কৰা।

খ) সৰ্বপল্লী ৰাধাকৃষ্ণণ — চমুটোকা লিখা।

গ) বুশ্বেৰ চহৰৰ এটা বিৱৰণ দিয়া

৯। চমু উত্তৰ লিখা (যিকোনো এটাৰ) ২×১=২

ক) তেলৰ বাবে চলোৱা খনন কাৰ্যত ‘মাডলগিং’ আহিলা সমূহৰ ভূমিকা কি?

খ) “এইখিনি কাম তেওঁলোকৰ কাৰ্যকৰী শিক্ষাৰ একোটি পাঠ মাথোন।” কোনখিনি কাম তেওঁলোকে (ছাত্ৰ-ছাত্ৰীসকলৰ) কাৰ্যকৰী শিক্ষাৰ একোটি পাঠ চমুকৈ বুজাই লিখা।

গ) উত্তৰ ভাৰতৰ সংগীতে কি নতুন বস্তু আমাৰ চকুত পেলাই বুলি কৈছে?

১০। অতি চমু উত্তৰ লিখা— ১×৪=৪

ক) শিৱ আৰু শক্তি পূজাৰ মূল আৱিস্কাৰ ক’ত হৈছিল?

খ) সুকুমাৰ কলাৰ ভিতৰত কোনটো শিল্প বেছি স্থায়ী বোলা হৈছে?

গ) ‘ছাত্ৰ-জীৱন আৰু সমাজ সেৱা’ প্ৰৱন্ধটো প্ৰথম কোনখন আলোচনীত প্ৰকাশ পাইছিল?

ঘ) ইৰাণৰ ৰাজধানীৰ নাম কি?

### পদ্য ভাগ

১১। অতি চমু উত্তৰ লিখা— ১×৪=৪

ক) মাধৱদেৱৰ দ্বাৰা ৰচিত তত্বমূলক পুথি এখনৰ নাম লিখা।

খ) মোমিন মানে কি?

গ) নামঘোষাৰ আন এটা নাম কি?

ঘ) মানুহজনৰ ঘৰৰ দাঁতিত কিহে আকাশ ধিয়াই আছিল?

১২। চমু উত্তৰ লিখা (যিকোনো এটা) ২×১=২

ক) চমু পৰিচয় — শ্ৰীশ্ৰী মাধৱদেৱ।

খ) জিকিৰৰ জৰিয়তে প্ৰকাৰন্তে কি ক’বলৈ বিচৰা হৈছে আৰু কাৰ মাহাত্ম্য প্ৰকাশ কৰিছে?

গ) ‘হেৰা অচিনাকি মানুহজন, তোমাক কি লাগেহে ইয়াত?’ — ইয়াত কোনে কাক অচিনাকি মানুহজন বুলি সম্বোধন কৰিছে?

১৩। উত্তৰ লিখা (যিকোনো এটাৰ) ৪×১=৪

ক) “বৰ শান্তিত আছো এই পঁজাটিত”।— কোনে কিয় এইদৰে কৈছিল? কথাযাৰৰ অন্তৰ্নিহিত ভাৱ মোকলাই লিখা।

খ) জিকিৰৰ ৰচয়িতা আজান ফকীৰৰ চমু পৰিচয় দিয়া।

গ) আতুৰ ভৈলোহো হৰি বিষয়ে বিকলে।
কৰিয়ো উদ্ধাৰ মোক চৰণ কমলে।। — ব্যাখ্যা কৰা।

****

Scanned by CamScanner